**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ** ০৬-০৭-২০২৬

| | | |
|---|---|---|
| তৰা বিহীন প্ৰশ্ন নং | : | ৩৩ |
| বিষয় | : | ডিগবৈ সম-জিলা আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, ৰাজহ চক্ৰ বিষয়া আদিৰ কাৰ্যালয়সমূহ নিৰ্মাণ সম্পৰ্কে। |
| বিধায়ক | : | শ্ৰীসুৰেণ ফুকন **:** |

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ডিগবৈত অনুমোদিত সম-জিলা আয়ুক্তৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে সংহত অন্যান্য প্ৰস্তাৱিত কাৰ্যালয় সমূহ নিৰ্মাণৰ বাবে চৰকাৰী ভাবে প্ৰদান কৰা ১ নং বৰবিলৰ সমীপৰ ভূমিৰ বিভাগীয় জৰীপ কৰাৰ লগতে অনুমোদন জনোৱা হৈছে। এই কাৰ্যালয় সমূহ নিৰ্মাণৰ বাবে বিভাগে কেতিয়াৰ পৰা কাৰ্যব্যৱস্থা হাতত ল'ব অনুগ্ৰহ কৰি জনাব।

**উত্তৰ**

**সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কেশৱ মহন্ত দেৱে উত্তৰ দিব-**

সমজিলাৰ অধীনস্থ বিভিন্ন বিভাগৰ কাৰ্যালয় নিৰ্মাণ লোক নিৰ্মাণ ( গৃহ ) বিভাগৰ জৰীয়তে সম্পাদন হয়।

জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা পোৱা তথ্যমতে, মাঘেৰিটা ৰাজহ চক্ৰ বিষয়াৰ প্ৰতিবেদন অনুসৰি, মাঘেৰিটা ৰাজহ চক্ৰৰ অন্তৰ্গত মাকুম মৌজাৰ ১ নং বৰবিল গাঁৱৰ ১৪ নং দাগৰ অংশত অৱস্থিত আনুমানিক ১৫-২০ বিঘা ভূমি ডিগবৈ সমন্বয় জিলা আয়ুক্তৰ কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় তথা অন্যান্য সংহত প্ৰস্তাৱিত চৰকাৰী কাৰ্যালয় স্থাপনৰ উদ্দেশ্যে সংৰক্ষণ কৰি ৰখা হৈছে। এই সন্দৰ্ভত মাঘেৰিটা ৰাজহ চক্ৰ বিষয়াই MRC-32/2022/Pt, তাৰিখ ৩০-০৬-২০২৬ নং পত্ৰযোগে ( পৰিশিষ্ট-ক ) লোকনিৰ্মাণ (গৃহ) বিভাগলৈ উক্ত উদ্দেশ্যৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ভূমি উপলব্ধ থকাৰ প্ৰমাণপত্ৰ প্ৰেৰণ কৰিছে।

আনহাতে , লোকনিৰ্মাণ ( গৃহ ) বিভাগে অৱগত কৰা মতে, অসম চৰকাৰৰ ৰাজহুৱা কাম-কাজ (বিল্ডিংছ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ অধীনস্থ সচিবে ২২-০৬-২০২৬ তাৰিখৰ পত্ৰৰ ভিত্তিত তিনিচুকীয়া জিলা ক্ষেত্ৰীয় (গৃহ) সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক, বিষয়টোত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ে ২৫-০৬-২০২৬ তাৰিখৰ পত্ৰযোগে মাঘেৰিটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক প্ৰস্তাৱিত স্থানৰ সন্দৰ্ভত ভূমি উপলব্ধতাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰিবলৈ অনুৰোধ জনোৱা হৈছিল আৰু ৰাজহ কৰ্তৃপক্ষৰ পৰা ৩০-০৬-২০২৬ তাৰিখে ভূমি উপলব্ধতাৰ প্ৰমাণপত্ৰ লাভ কৰা হয় আৰু প্ৰস্তাৱিত নিৰ্মাণৰ বাবে পৰিকল্পনা আৰু ব্যয় অনুমান ( Plan & Estimate) প্ৰস্তুতৰ বাবে পৰামৰ্শদাতা নিয়োগৰ ব্যৱস্থা অতিশীঘ্ৰে লোৱা হ'ব।

***(পৰিশিষ্ট-'ক', http://neva.gov.in*** পৰ্টেলত আপলোড কৰা হ'ল)

**************

পৰিশিষ্ট - 'ক'

GOVT. OF ASSAM

OFFICE OF THE CIRCLE OFFICER:MARGHERITA REVENUE CIRCLE

MARGHERITA::::::::::::TINSUKIA:::::::::::::(ASSAM)::::::::::PIN- 786187

Email: comargherita81@gmail.com

NO.MRC.32/2022/Pt/ 1051

Dated Margherita 30th June/2026

## LAND AVAILABILITY CERTIFICATE

This is to certify that, required Govt. Khas land is available for the proposed construction of permanent office buildings for The Co-District Commissioner Office, The Block Development Office, The Circle Office and Other Govt Offices situated at Borbil No.1, bearing Dag No 14 under Digboi LAC under the jurisdiction of Margherita Revenue Circle.

This certificate is issued on the basis of report submitted by the concerned LRA of this office

Circle Officer,
Margherita Rev. Circle

NO.MRC.32/2022/Pt/ 1051 (A)

Dated Margherita 30th June/2026

Copy to

1. The Executive Engineer, PWD, District Territorial Building Division, Tinsukia-for information

Circle Officer
Margherita Rev. Circle





Scanned with CamScanner